আইনী সাক্ষৰতা শৃংখলা-১

# চকু মুকলি হ'ল

## ভাৰতৰ নাগৰিকৰ অধিকাৰ আৰু কৰ্তব্য




সাক্ষৰ ভাৰত

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়
ভাৰত চৰকাৰ

ন্যায় বিভাগ
বিধি আৰু ন্যায় মন্ত্ৰালয়
ভাৰত চৰকাৰ

# ASSAM STATE LEGAL SERVICES AUTHORITY

1ST FLOOR, GAUHATI HIGH COURT, OLD BLOCK
GUWAHATI - 781001, ASSAM
PHONE : 0361 - 2516367, FAX : 0361 - 2601843

অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰী
গুৱাহাটী - ৭৮১০০১

No. ASLSA-38/2014/21

Dated: Guwahati the 18 th April '2016

To

The Director,
State Resource Centre - Assam,
1- CD, Mandovi Apartments,
GNB Road, Ambari, Guwahati-781001
(Assam)

**Sub:** VETTING OF IEC MATERIALS ON LEGAL LITERACY COMPONENTS - ASSAMESE.

Ref.: Your letter no. SRC/170/97/654-56 dated 21.03.2016.

Dear Sir,

In inviting a reference to the subject as cited above, undersigned has the honor to state that the vetting of the IEC materials ( in Assamese) have been completed and are being returned herewith after minor modifications in sentence/word structuring on the legal literacy components and the modified word/sentence is highlighted in erasable pencil markings.

Vetting of the rest of the IEC material (in Nepali & Bengali) is also being arranged and will be returned as soon as these are completed.

With best regards

Yours faithfully

Mridul K Saikia
18/4/2016

(Mridul Kr. Saikia)
Member Secretary i/c
Assam State Legal Services Authority

Encl:
As stated above.

# চকু মুকলি হ'ল

## ভাৰতৰ নাগৰিকৰ অধিকাৰ আৰু কৰ্তব্য

আইনী সাক্ষৰতা শৃংখলা-১

সাক্ষৰ ভাৰত

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়
ভাৰত চৰকাৰ

सत्यमेव जयते

ন্যায় বিভাগ
বিধি আৰু ন্যায় মন্ত্ৰালয়
ভাৰত চৰকাৰ

**Chaku Mukali Hall (Aankhe Khol Goyi) :** This book is based on legal awareness for the neoliterates on Rights and duties of Indian citizen. This book is prepared by National Literacy Mission Authority and Department of Justice, Govt. of India, New Delhi. This book is translated and published by State Resource Centre Assam, 1-CD, Mandovi Apartments, GNB Road, Ambari, Guwahati-781001 (Assam)

March 2016 (1000)

| | | |
|---|---|---|
| মূল পুথি | : | আখেঁ খোল গঈ |
| পুথি প্ৰস্তুতি কৰ্মশালাত অংশগ্ৰহণকাৰী সকল | : | নিশাৰাণী ডেকা, মীনাক্ষী বেজবৰুৱা, ৰুবী ভাগৱতী শৰ্মা, ফুনু শৰ্মা, মুনীন কাকতি, কুইন বৰা, তৃষ্ণা শৰ্মা, নিৰ্মালী অধিকাৰী , দীপাংকৰ দাস, সুস্নাতা গোস্বামী |
| ভাৰত চৰকাৰৰ ন্যায় বিভাগ, বিধি আৰু ন্যায় মন্ত্ৰালয়ৰ তৰফৰ পৰা কৰ্মশালাত উপস্থিত থকা বিষয়াসকল | : | ৰাজেশ দেউলী, আঁচনি প্ৰবন্ধক, অনশুল চাক্সেনা, আঁচনি বিষয়া, গোবিন্দ বৈশ্য, ৰাজ্যিক সমন্বয়ক, অসম |
| প্ৰথম প্ৰকাশ | : | মাৰ্চ ২০১৬ (১০০০) |
| প্ৰকাশক | : | ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম<br>১-চি ডি, মাণ্ডৱী এপাৰ্টমেণ্টছ, জি এন বি ৰোড<br>আমবাৰী, গুৱাহাটী-৭৮১ ০০১ |
| সম্পাদনা | : | অনুৰাধা বৰুৱা, প্ৰসন্ন কুমাৰ কলিতা |
| মুদ্ৰক | : | শৰাইঘাট অফছেট প্ৰাইভেট লিমিটেড<br>বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১ |

# কৃতজ্ঞতা

সাক্ষৰ ভাৰত কাৰ্য্যসূচী ২০০৯ চনৰ ছেপ্টেম্বৰ মাহত আৰম্ভ কৰা হৈছিল। এই কাৰ্য্যক্ৰমত দেশৰ কমসংখ্যক সাক্ষৰ মহিলা থকা ৪১০ খন জিলা সামৰি লোৱা হৈছে। বিশেষকৈ গ্ৰামাঞ্চলৰ মহিলা, অনুসূচিত জাতি, জনজাতি আৰু সংখ্যালঘু সম্প্ৰদায়ক সাক্ষৰ ভাৰত কাৰ্য্যসূচীত লক্ষ্য কৰি লোৱা হৈছে। এই কাৰ্য্যসূচীত বুনিয়াদী সাক্ষৰতাৰ সমানে সমানে বুদ্ধি আৰু দক্ষতাৰ বিকাশ আৰু সমমান শিক্ষাকো সামৰি লোৱা হৈছে।

সাক্ষৰতাক শিক্ষাৰ্থীসকলৰ জীৱনৰ লগত জড়িত কৰি অধিক ৰুচিপূৰ্ণ কৰিবৰ বাবে ইণ্টাৰ পাৰ্চনেল মিডিয়া কেম্পেইন আৰম্ভ কৰা হৈছে। এই কেম্পেইনত আইনী সাক্ষৰতাক বিশেষ গুৰুত্ব দিয়া হৈছে।

আইনী সাক্ষৰতাৰ বিষয়ে সকলোৱে জানিবৰ বাবে আইনী সাক্ষৰতা শৃংখলাৰ নিৰ্মাণ কৰা হৈছে। ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ অধীনত ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ আৰু বিধি আৰু ন্যায় মন্ত্ৰালয় (ন্যায় বিভাগ)ৰ অধীনত গুৱাহাটীত আয়োজিত কৰ্মশালাত অসম (অসমীয়া ভাষা), ত্ৰিপুৰা (বাংলা ভাষা) আৰু ছিকিম ( নেপালী ভাষা)ৰ বিশেষজ্ঞ, লিখক তথা ৰাজ্যিক আইনী সেৱা প্ৰাধিকৰণৰ সহযোগিতাত আইনী সাক্ষৰতাৰ সামগ্ৰীসমূহৰ প্ৰস্তুত কৰা হৈছে।

আইনী সাক্ষৰতা সামগ্ৰীৰ নিৰ্মাণত ন্যায় বিভাগ, ন্যায় মন্ত্ৰালয়, ভাৰত চৰকাৰ আৰু এক্সেচ টু জাষ্টিছ (নৰ্থ ইষ্ট এণ্ড জম্মু কাশ্মীৰ A 2 J NE & JK)ৰ প্ৰকল্পৰ সঞ্চালকে কাৰিকৰী সহযোগিতা প্ৰদান কৰিছে আৰু ইয়াত ভাৰত চৰকাৰৰ ন্যায় বিভাগে অনুমোদন জনাইছে। ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণে সকলো সহযোগী সংস্থা, বিভাগৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে। এই সামগ্ৰীসমূহে জনসাধাৰণৰ মাজত আইনী সজাগতা আনিব বুলি আশা প্ৰকাশ কৰা হৈছে।

ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ বিকাশ মন্ত্ৰালয়
নতুন দিল্লী

# আমাৰ দুআষাৰ

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসমে এই লানি পুস্তিকাৰ অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশৰ ব্যৱস্থা কৰিছে। গুৱাহাটীত অনুষ্ঠিত লিখনি প্ৰস্তুতি কৰ্মশালাত এইলানি পুথিৰ অসমীয়ালৈ অনুবাদ কৰা হৈছে। অনুদিত পুথিখিনি অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ দ্বাৰা অনুমোদিত। এই সুযোগতে কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী ব্যক্তিলৈ ধন্যবাদ জ্ঞাপন কৰা হ'ল। আশাকৰোঁ কিতাপখন পঢুৱৈয়ে আদৰি ল'ব।

**সমীৰণ ব্ৰহ্ম**
সঞ্চালক
ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম

মাৰ্চ ২০১৬

# চকু মুকলি হ'ল

ৰাজু সৈন্যবাহিনীত ভৰ্তি হোৱা শুনি মাকে কান্দিবলৈ ধৰিলে। মাকৰ কান্দোন শুনি দেউতাক আৰু ভায়েক বিজয়ো ওচৰ চাপি আহিল।

মাকে ক'লে — "আমাৰ গাঁৱৰ পৰা কেতিয়াও কোনো লোকেই সেনাবাহিনীত ভৰ্তি হোৱা নাই। তইনো এইটো কিয় ভাবিলি?"

ৰাজুৱে ক'লে — "সুৰেশৰ আগতে আমাৰ গাঁৱত কোনো চিকিৎসক হোৱা নাছিল। এতিয়া তেওঁ ৰোগীসকলক শুশ্ৰূষা কৰে। মই দেশৰ সেৱা কৰিম।"



মাকে ক'লে — "দেশৰ সেৱা গাঁৱতে থাকিও কৰিব পাৰি।"

ৰাজু — "মা তুমি কোৱাতো হ'বও পাৰে, কিন্তু সকলোৱে তোমাৰ নিচিনাকৈ ভাবিলে সৈন্যবাহিনীলৈ কোন যাব?"

মাকে চিঞঁৰি চিঞঁৰি কন্দা-কটা কৰাত ওচৰ-চুবুৰীয়া লোকসকলেও গম পালে। ঘৰৰ ওচৰৰ কণপাই, ৰূপহী আৰু জগদীশহঁত আহি উপস্থিত হ'লহি।

কণপায়ে সুধিলে — "কি হ'ল বৌ? কিয় কান্দি আছা?"

দেউতাকে ক'লে — "আমাৰ ৰাজুৱে সৈন্যবাহিনীত যোগ দিবলৈ ওলাইছে নহয়?"

ৰূপহী — "বাঃ বাঃ ৰাজু, তুমি আমাৰ তপনকো লগত লৈ যোৱা।"

জগদীশে ক'লে — "ৰাজু! তোমাৰ দেউতাৰ বহুতো খেতিৰ মাটি আছে, তুমি গুচি গ'লে সেইখিনি কোনে চাব?"

বিজয়ে ক'ল — "দাদা, মই আৰু দেউতাই খেতি কৰিম। এইটোৱেই আমাৰ দেশসেৱা হ'ব। কাৰণ আমাৰ সৈন্যবাহিনীৰ লোকসকলকোতো খাদ্যৰ প্ৰয়োজন হ'ব।"

মাকে ক'লে — "আপোনালোক সকলোৱে ৰাজুক সৈন্যবাহিনীত যোগদান কৰাটো বিচাৰিছে, কিন্তু ৰাজুৰ যদি কিবা এটা হৈ যায় তেতিয়া কি হ'ব?"



কণপায়ে ক'লে — "বৌ, প্ৰতিগৰাকী মাতৃয়ে যদি এনেকৈয়ে ভয় কৰে, তেনেহ'লে আমাৰ দেশৰ সৈন্যবাহিনী কেনেকৈ গঠন হ'ব?"

ৰূপহীয়ে ক'লে — "বৌ, আমি সকলোৱে শান্তিত থকাটো আমাৰ অধিকাৰ। কিন্তু এই শান্তি বৰ্তাই ৰখাটো আমাৰ কৰ্তব্য। সৈন্যবাহিনীৰ লোকসকলৰ কাৰণেই আমি শান্তিৰে থাকিব পাৰিছোঁ। তেওঁলোকে যদি আমাৰ দেশখন সুৰক্ষা দি



নাথাকিলহেঁতেন, তেন্তে আমি শান্তিত থাকিব নোৱাৰিলোহেঁতেন।”

জগদীশ — “একেবাৰে সঁচা কথা। দেশখন সুৰক্ষা দিয়াটো সকলো নাগৰিকৰে কৰ্তব্য। সেয়ে আমিও সৈন্যবাহিনীত যোগদান কৰি দেশৰ সেৱা কৰিব পাৰোঁ। বিপদৰ সময়ত দেশৰ কাৰণে আমি সকলো ধৰণৰ ত্যাগ কৰিবলৈ সাজু থাকিব লাগে।”

ৰাজুৰ দেউতাকে ক'লে — “এইটো সঁচা কথা। কিন্তু অধিকাৰৰ লগতে আমাৰ কিছু কৰ্তব্যও আছে। হেৰা ৰাজুৰ মাক, ল'ৰাক হাঁহি হাঁহি বিদায় দিয়া। তাক লক্ষ্যৰ পৰা বিচলিত নকৰিবা, তাক সৈন্যবাহিনীত যোগ দিবলৈ দিয়া।”

## নাগৰিকৰ কৰ্তব্য

অধিকাৰ আৰু কৰ্তব্য এটা আনটোৰ পৰিপূৰক। এটাক বাদ দি আনটোৰ কল্পনা কৰিব নোৱাৰি। য'ত অধিকাৰ আছে, তাত কৰ্তব্যও আছে। য'ত কৰ্তব্য আছে তাত অধিকাৰো আছে। সংবিধানত অধিকাৰৰ লগতে কৰ্তব্যও জড়িত হৈ আছে। এই মূল কৰ্তব্যসমূহ এনেধৰণৰ —

**১। সংবিধান মানি চলা :**



সংবিধানত লিখা নিয়মসমূহ পালন কৰাটো প্ৰতিগৰাকী নাগৰিকৰে কৰ্তব্য। সংবিধানৰ নীতি-আদৰ্শ, ৰাষ্ট্ৰীয় পতাকাক আৰু ৰাষ্ট্ৰীয় সংগীতক সকলোৱে সন্মান কৰা উচিত। যেতিয়া ৰাষ্ট্ৰীয় সংগীত (জন-গণ-মন সংগীত) গায় বা ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে তেতিয়া সকলোৱে থিয় হৈ ইয়াৰ প্ৰতি সন্মান জনাব লাগে।

- যেতিয়া ৰাষ্ট্ৰীয় পতাকাখন উত্তোলন কৰা হয়, তেতিয়া পতাকাখন চাফা হ'ব লাগে। লেতেৰা বা ফটা হ'ব নালাগে।

- যদি ৰাষ্ট্ৰীয় পতাকাখনৰ টুকুৰা ৰাস্তাত বা আন ক'ৰবাত পৰি থকা দেখা পায় তেতিয়া সেইবিলাক গোটাই সসন্মানে গাঁত খান্দি মাটিত পুতি থ'ব লাগে। সেইবিলাক ভৰিৰে কেতিয়াও মোহাৰিব নালাগে।
- সংসদ, বিধানসভাৰ দ্বাৰা তৈয়াৰ কৰা নিয়ম-কানুনসমূহ পালন কৰিব লাগে। আদালতে দিয়া সিদ্ধান্তসমূহ সন্মান সহকাৰে পালন কৰিব লাগে।

**২। দেশৰ অখণ্ডতা তথা একতা বজাই ৰখা :**

দেশখনক একতাৰ ডোলেৰে বান্ধি ৰখাটো দেশৰ সকলো নাগৰিকৰে কৰ্তব্য। সৰু-ডাঙৰ কথাৰ কাৰণে নিজৰ ভিতৰতে কাজিয়া-পেচাল কৰিব নালাগে। জাতি, ধৰ্ম, ভাষা বা ৰাজ্যৰ প্ৰতি ভেদ-ভাব ৰাখিব নালাগে। দেশৰ অখণ্ডতা ৰক্ষাৰ কাৰণে সকলোৰে মিলি-জুলি একতাৰে থাকিব লাগে।

**৩। দেশ ৰক্ষা কৰা :**

দেশখন ৰক্ষা কৰাটো সকলো নাগৰিকৰে কৰ্তব্য। সৈন্যবাহিনীত যোগদান কৰিলেও দেশৰ সেৱা কৰাটোকে বুজায়। বিপদৰ সময়ত দেশৰ কাৰণে সকলো ধৰণৰ ত্যাগ কৰিবলৈ সাজু থাকিব লাগে। দেশৰ শান্তি ৰক্ষাৰ কাৰণে সকলো নাগৰিকেই সহযোগ কৰাটো উচিত।

**৪। সমানতা আৰু ভাতৃত্ববোধ :**

ধৰ্ম, ভাষা, বৰ্ণ, ঠাই নিৰ্বিশেষে ভাৰতবৰ্ষৰ সকলোৰে প্ৰতি সমানতা আৰু ভাতৃত্ববোধ থাকিব লাগে। মহিলাসকলৰ মৰ্য্যাদাত আঘাত দিব পৰা কোনো কাৰ্য্য কৰিব নালাগে।

**৫। আদৰ্শৰ পালন কৰা :**

স্বাধীনতাৰ কাৰণে আমাৰ ৰাষ্ট্ৰীয় আন্দোলনক উৎসাহ যোগোৰা লোকসকলে দেশৰ আদৰ্শৰ প্ৰতি নিজৰ মনক সদায় সজীৱ ৰাখে আৰু সেইখিনি পালন কৰে।

**৬। পৰম্পৰা ৰক্ষা কৰাত গুৰুত্ব আৰোপ কৰা :**

আমাৰ সামাজিক, সাংস্কৃতিক আৰু পৰম্পৰাসমূহ মৰ্য্যাদাসহকাৰে পালন কৰা।

**৭। পৰিৱেশ ৰক্ষা কৰা :**



প্ৰাকৃতিক পৰিৱেশ য'ত গছ, বন, নদী; বন্যজীৱ অন্তৰ্ভুক্ত হৈ থাকে, সেইবিলাক ৰক্ষা কৰক। সকলো প্ৰাণীৰ প্ৰতি দয়া ভাব ৰাখক। গছ-গছনি, পানী, বায়ু এই সকলো বিলাক যদি বিশুদ্ধ হয় তেতিয়া পৰিৱেশো বিশুদ্ধ হ'ব। জীৱকুল থাকিলেহে মানৱজাতিৰ উপকাৰ হ'ব।

**৮। বৈজ্ঞানিক দৃষ্টিভংগী :**



বৈজ্ঞানিক মানসিকতা থাকিলেহে মানৱতা আৰু জ্ঞান অৰ্জনৰ চিন্তা-চৰ্চা মুকলি হ'ব। সমাজত চলি থকা অন্ধবিশ্বাস আৰু কুসংস্কাৰসমূহ কেতিয়াও মানি চলিব নালাগে। শুদ্ধ পৰম্পৰাবিলাক পালন কৰক। জ্ঞান বঢ়াবলৈ আৰু এইবোৰৰ বিকাশ সাধন কৰিবলৈ চেষ্টা কৰক। সকলোৰে প্ৰতি মৰম-স্নেহৰ ভাৱনা জগাওঁক।

**৯। ৰাজহুৱা সম্পদ ৰক্ষা কৰা :**

ৰাজহুৱা সম্পদ ৰক্ষা কৰক আৰু হিংসাৰ ভাব মনৰ পৰা পৰিহাৰ কৰক। যদি কোনোবাই সমাজৰ সম্পদ ধ্বংস কৰিব বিচাৰে, তেওঁলোকক বাধা আৰোপ কৰিব লাগে।

**১০। দলগতভাৱে কাম কৰাত গুৰুত্ব দিয়া :**

দেশৰ আৰু জনগণৰ বিকাশৰ বাবে সহায়ক হোৱা কামৰ প্ৰতি গুৰুত্ব দিয়ক। যাতে দেশে সৰ্বাংগীণ উন্নতিৰ জখলাত আগুৱাই যাব পাৰে।

**১১। শিশুসকলক শিক্ষাৰ সুবিধা দিয়া :**

ছয় বছৰৰ পৰা চৈধ্যবছৰৰ সকলো শিশুকেই অভিভাৱকসকলে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰক।

**অন্যান্য কৰ্তব্য :**

- নাগৰিকসকলৰ সুবিধাৰ বাবে চৰকাৰে আইন-কানুনৰ ব্যৱস্থা কৰিছে। এই আইন-কানুনসমূহ সকলোৱে পালন কৰক।
- বিভিন্নধৰণৰ জনকল্যাণমূলক আঁচনিসমূহৰ বাবে অৰ্থৰ প্ৰয়োজন। ইয়াৰ বাবে চৰকাৰে কৰৰ (টেক্স) ব্যৱস্থা কৰিছে। সময়মতে নিৰ্ধাৰিত কৰ দিয়াটো সকলো নাগৰিকৰে কৰ্তব্য।
- গণতন্ত্ৰ হৈছে ৰাইজৰ চৰকাৰ। দেশখন শাসন কৰিবৰ কাৰণে জনগণে প্ৰতিনিধি নিৰ্বাচন কৰে। সেই প্ৰতিনিধিসকলেই চৰকাৰ গঠন কৰে।
- জনপ্ৰতিনিধি গৰাকীয়ে সেৱাৰ ভাবেৰে নিজৰ কৰ্তব্য পালন কৰিব লাগে। সকলোৰে প্ৰতি সমান ভাব ৰাখি দেশৰ উন্নতিৰ কাৰণে কাম কৰিব লাগে।

নাগৰিকসকলৰ নিজৰ উপৰিও ওচৰ-চুবুৰীয়া আৰু সমাজৰ প্ৰতিও কৰণীয় আছে। প্ৰত্যেক ব্যক্তিয়ে নিজৰ শাৰীৰিক, মানসিক আৰু আৰ্থিক দিশত উন্নতিৰ বাবে চেষ্টা কৰা উচিত। নিজৰ পৰিয়ালৰ লগতে গাঁও, নগৰ আৰু সমাজৰ উন্নতিৰ কাৰ্য্যত সহযোগিতা আগবঢ়াব লাগে।

## নাগৰিকসকলৰ মৌলিক অধিকাৰ

দেশখন সুচাৰুৰূপে চলাবলৈ কিছুমান নিয়ম-নীতি তৈয়াৰ কৰা হৈছে। এই নিয়মবোৰ এখন কিতাপ আকাৰত লিখা হৈছে। ইয়াকে ভাৰতীয় সংবিধান বুলি কোৱা হয়। স্বাধীনতাৰ পাছত ১৯৫০ চনৰ ২৬ জানুৱাৰিত সংবিধানখন গৃহীত আৰু কাৰ্য্যকাৰী হৈছে। ইয়াত আমাৰ অধিকাৰসমূহ লিপিৱদ্ধ কৰা হৈছে। এই অধিকাৰবোৰ ৰক্ষা কৰাটো চৰকাৰৰ দায়িত্ব। দেশৰক্ষা আৰু অখণ্ডতাৰ কাৰণে এই অধিকাৰসমূহ শিথিল কৰিব পাৰি। এইবিলাকেই আমাৰ মৌলিক অধিকাৰ।

**১। সমতাৰ অধিকাৰ :**

সকলো ভাৰতীয় আইনৰ দৃষ্টিত সমান। জাতি, ধৰ্ম, ভাষা, বৰ্ণ বা জন্মস্থানৰ ওপৰত ভিত্তি কৰি কোনো লোককে ভেদভাব কৰিব নালাগে।

যিকোনো চৰকাৰী চাকৰিত জাতি-বৰ্ণ ভাষা আৰু লিংগৰ ভেদভাব নাথাকিব। উচ্চ-নীচৰ ভেদভাব ৰখা লোকৰ শাস্তিও হ’ব পাৰে।

সংবিধানৰ আধাৰত ৰাজ্য চৰকাৰে মহিলা, শিশু আৰু সামাজিক ক্ষেত্ৰত প্ৰয়োগ হোৱাকৈ সকলো জাতি-জনজাতিৰ মাজত সমতা স্থাপনৰ বাবে আইন প্ৰয়োগ কৰিব পাৰে।

ৰাজ্য চৰকাৰে সৈনিক আৰু শিক্ষা সম্বন্ধীয় সন্মানীয় উপাধি প্ৰদান কৰিব পাৰে। আন দেশৰ উপাধি গ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰৰ অনুমতি ল'ব লাগে।

**২। গণতান্ত্ৰিক অধিকাৰ :**



জম্মু-কাশ্মীৰৰ বাহিৰে ভাৰতবৰ্ষৰ সকলো স্থানৰ ব্যক্তিয়ে গোট গঠন কৰিব পাৰে। নিজৰ ইচ্ছানুসাৰি কাম কৰাৰ অধিকাৰ আছে। কিন্তু কামবোৰ সমাজ বিৰোধী হ'ব নালাগে। এইবোৰৰ জৰিয়তে দেশৰ সুৰক্ষা, ঐক্য-সংহতিত যাতে কোনো ধৰণৰ আঘাত নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

প্ৰত্যেক নাগৰিকৰে নিজৰ বিচাৰ-বিবেচনা প্ৰকাশ কৰাৰ অধিকাৰ আছে। নিজৰ বা গাঁওখনৰ যিকোনো সমস্যাৰ বিষয়ে পঞ্চায়তক জনোৱাৰো অধিকাৰ আছে।

## ২। শোষণৰ বিৰুদ্ধে অধিকাৰ :

- ১৪ বছৰৰ তলৰ শিশুক কল-কাৰখানাত নিয়োগ কৰিব নালাগে।
- মানুহক লৈ কোনো বেহা চলাব নোৱাৰিব।



- কোনো ব্যক্তিৰ ইচ্ছাৰ বিৰুদ্ধে কাম কৰিব নোৱাৰিব।
- কোনো ব্যক্তিক বিনা বেতনে কামত লগাব নোৱাৰিব।
- শোষণক ডাঙৰ অপৰাধ বুলি ধৰা হয়।

# আইনী সাক্ষৰতাৰ সজাগতাৰ বাবে প্ৰকাশিত পুথিসমূহ-

১) চকু মুকলি হ'ল (ভাৰতৰ নাগৰিকৰ অধিকাৰ আৰু কৰ্তব্য)

২) এতিয়া আৰু চিন্তা নাই (গৰ্ভধাৰণ আৰু প্ৰসবপূৰ্ব লিংগ নিৰ্ধাৰণ অধিনিয়ম ১৯৯৪ আৰু ২০০৩ (সংশোধিত)

৩) ৰমাৰ পাঠশালা (শিক্ষাৰ অধিকাৰ অধিনিয়ম ২০০৯)

৪) শালীনতাৰ মৰ্যাদা (আইনী সাক্ষৰতা শৃংখলা-৪)

৫) যৌতুক: পৰম্পৰা নহয় অভিশাপহে (যৌতুক প্ৰতিৰোধ অধিনিয়ম ১৯৬১)

৬) আশাৰ ৰেঙণি (ঘৰুৱা হিংসাৰ পৰা সুৰক্ষা অধিনিয়ম ২০০৫)

৭) এতিয়া কোনো অনাহাৰে থাকিব নালাগে (খাদ্য সুৰক্ষা অধিনিয়ম ২০১৩)

৮) মণিকাৰ মুখত হাঁহি বিৰিঙিল (তথ্য জনাৰ অধিকাৰ আইন ২০০৫)

৯) ৰমেশে উচিত বিচাৰ পালে (বিনামূলীয়া আইন সাহায্য)

১০) নাজমাই পালে সুবিচাৰ (অনৈতিক মানব সৰবৰাহ আইন ১৯৫৬)

১১) ভাৰত চৰকাৰৰ মুখ্য আঁচনিসমূহ

Saakshar Bharat

**STATE RESOURCE CENTRE ASSAM**
1-CD, Mandovi Apartments, GNB Road
Ambari, Guwahati-781001
E-mail-srcassam@hotmail.com
Website : www.srcguwahati.in